**অসম বিধান সভা**
**লিখিত প্ৰশ্ন নং- ৫০৭**
**উত্তৰ দিয়াৰ তাৰিখ-২৪/০৭/২০২৬**

বিষয়: স্নেহস্পৰ্শ আঁচনি সম্পৰ্কে — শ্ৰীতাঞ্জিল হুছেইন, মাননীয় বিধায়ক।

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) স্নেহস্পৰ্শ আঁচনিৰ অধীনত অসমৰ বাহিৰত চিকিৎসাৰ সুবিধা লাভ কৰা দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ সংখ্যা কিমান ?

(খ) চৰকাৰে ৰাজ্যৰ বাহিৰত চিকিৎসাৰ বাবে স্নেহস্পৰ্শ আঁচনিৰ দায়িত্ব প্ৰাপ্ত সমিতিক উত্তৰ দিয়াৰ সময়সীমা কিমান নিৰ্দ্ধাৰণ কৰিছে ?

গ) দৰিদ্ৰ সীমাৰেখাৰ তলত পৰিয়ালৰ চিকিৎসাৰ বাবে অসমৰ বাহিৰৰ চিকিৎসালয়ৰ পৰামৰ্শ লাভৰ ক্ষেত্ৰত কি পদ্ধতি আছে? ( বিস্তাৰিত তথ্য সদনত দিব )

ঘ) চৰকাৰে এই আঁচনিত অধিক ৰোগ অন্তৰ্ভুক্ত কৰাৰ বাবে কিবা চিন্তা-চৰ্চা কৰিছে নেকি ? যদি কৰিছে বিস্তাৰিত তথ্য দাঙি ধৰিব।

**-উত্তৰ-**

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰী অশোক সিংহল দেৱে উত্তৰ দিবঃ-

(ক) ২০১৩–১৪ বৰ্ষৰ পৰা আৰম্ভ হোৱা স্নেহস্পৰ্শ আঁচনিখনৰ জৰিয়তে ২০২৬ চনৰ ১৫ জুলাই লৈকে দৰিদ্ৰ সীমাৰ তলৰ মুঠ ১,৩৪৫ টা পৰিয়ালক ৰাজ্যৰ বাহিৰলৈ চিকিৎসাৰ বাবে পঠিওৱা হৈছে ।

(খ) স্নেহস্পৰ্শ আঁচনিৰ অধীনত আৰ্থিক সাহাৰ্য্য লাভ কৰাৰ বাবে আবেদনখন প্ৰথমে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অভিযান সঞ্চালকৰ কাৰ্য্যালয়ত জমা দিব লাগে। ইয়াৰ পিছত আবেদনখন গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ স্নেহস্পৰ্শ সমিতিৰ ওচৰলৈ বিবেচনাৰ বাবে পঠিওৱা হয়। আবেদনকাৰীয়ে সমিতিৰ সদস্য সচিবে নিৰ্ধাৰণ কৰা তাৰিখত ৰোগীক লগত লৈ সমিতিৰ সন্মুখত উপস্থিত থাকিব লাগে আৰু প্ৰয়োজনীয় সকলো নথি-পত্ৰ পৰীক্ষা-নিৰীক্ষাৰ বাবে জমা দিব লাগে । সমিতিয়ে প্ৰতিখন আবেদন আঁচনিৰ নিৰ্দ্ধাৰিত যোগ্যতাৰ মানদণ্ড আৰু ৰোগীৰ স্বাস্থ্য অৱস্থাৰ ভিত্তিত পৰ্য্যালোচনা কৰি সিদ্ধান্ত লয় । ৰোগীৰ স্বাস্থ্যজনিত অৱস্থা আৰু চিকিৎসাৰ প্ৰয়োজন অনুসৰি, সমিতিয়ে ৰাজ্যৰ ভিতৰত নাইবা ৰাজ্যৰ বাহিৰত থকা Super Speciality স্বাস্থ্য প্ৰতিষ্ঠানত চিকিৎসাৰ বাবে পৰামৰ্শ আগবঢ়ায় ।

(গ) স্নেহস্পৰ্শ আঁচনিৰ অধীনত চিকিৎসাৰ বাবে ৰাজ্যৰ বাহিৰৰ চিকিৎসালয়ৰ পৰামৰ্শ লাভৰ ক্ষেত্ৰত থকা পদ্ধতিসমূহ হ'ল:-

- পৰিয়ালৰ বাৰ্ষিক আয়ৰ পৰিমান ৫ (পাঁচ) লাখতকৈ কম হব লাগিব । যদিও বিশেষ ৰোগীৰ ক্ষেত্ৰত, মাননীয় দায়িত্বপ্ৰাপ্ত মন্ত্ৰীৰ অনুমোদন সাপেক্ষে এই বাৰ্ষিক আয়ৰ সীমা শিথিল হ'ব পাৰে।
- এই আঁচনিৰ সুবিধা লাভৰ বাবে শিশুৰ (ৰোগী) বয়স ১৮ (ওঠৰ) বছৰ নাইবা তাতকৈ কম বয়স হব লাগিব ।
- আৰ্থিক সাহাৰ্য্য লাভৰ বাবে আবেদনকাৰীয়ে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অভিযান সঞ্চালকৰ কাৰ্য্যালয়ত আবেদনখন দাখিল কৰিব লাগিব । ইয়াৰ পিছত আবেদনখন গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ স্নেহস্পৰ্শ সমিতিৰ ওচৰলৈ বিবেচনাৰ বাবে পঠিওৱা হয় ।
- আবেদনকাৰীয়ে ৰোগীক লগত লৈ সদস্য সচিবে নিৰ্ধাৰণ কৰা তাৰিখত সমিতিৰ সন্মুখত উপস্থিত থাকি প্ৰয়োজনীয় সকলো নথি-পত্ৰ পৰীক্ষা-নিৰীক্ষাৰ বাবে জমা দিব লাগে ।
- নথি-পত্ৰ পৰীক্ষা-নিৰীক্ষাৰ পিছত আৰু প্ৰতিখন আবেদনৰ যোগ্যতা বিবেচনা কৰাৰ পিছত স্নেহস্পৰ্শ সমিতিয়ে চূড়ান্তভাৱে হিতাধিকাৰী নিৰ্বাচন কৰে ।

- অসমত থকা চিকিৎসা মহাবিদ্যালয় আৰু অন্যান্য চিকিৎসালয়সমূহত যিবোৰ চিকিৎসা সম্ভৱ, সেই চিকিৎসা ৰাজ্যৰ ভিতৰতে কৰা হয়। কিন্তু ৰাজ্যত উপলব্ধ নথকা Super Speciality চিকিৎসাৰ প্ৰয়োজন হোৱা ৰোগীক ৰাজ্যৰ বাহিৰৰ অনুমোদিত চিকিৎসালয়লৈ উন্নত মানৰ চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয়।
- স্নেহস্পৰ্শ সমিতিয়ে প্ৰতিখন আবেদন আৰু ৰোগীৰ চিকিৎসাৰ প্ৰয়োজনীয়তা বিবেচনা কৰি ৰোগীক ৰাজ্যৰ বাহিৰলৈ চিকিৎসাৰ বাবে প্ৰেৰণ কৰিব লাগিব নে নাই সিদ্ধান্ত লয় । লগতে, ৰাজ্যৰ ভিতৰত কৰা চিকিৎসাৰ ব্যয় আঁচনিৰ অধীনত পৰিশোধ কৰিব পাৰিব নে নোৱাৰিব, সেই বিষয়েও সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে।
- ৰাজ্যৰ বাহিৰত চিকিৎসাৰ প্ৰয়োজন হলে স্নেহস্পৰ্শ সমিতিয়ে নিৰ্দ্ধাৰণ কৰা চিকিৎসালয়লৈ ৰোগীক প্ৰেৰণ কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়। প্ৰয়োজন অনুসৰি, স্নেহস্পৰ্শ আঁচনিৰ অধীনত ৰাজ্যৰ ভিতৰত আৰু ৰাজ্যৰ বাহিৰত দুয়ো ধৰণৰ চিকিৎসাৰ বাবেই আৰ্থিক সাহাৰ্য্য প্ৰদান কৰা হয়।

(ঘ) বৰ্তমান স্নেহস্পৰ্শ আঁচনিৰ অধীনত নিম্নলিখিত ১০ বিধ ৰোগ নাইবা চিকিৎসাৰ বাবে আৰ্থিকসাহাৰ্য্য প্ৰদান কৰা হয়—

1) Bone Marrow Transplant
2) Cochlear Implant
3) Liver Transplant
4) Kidney Transplant
5) Artificial Limbs
6) Blood Cancer
7) Specialized Eye Surgery
8) Tumours
9) Neurological Anomalies
10) Thalassemia

ইয়াৰোপৰি, উপযুক্ত কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে অন্যান্য গুৰুতৰ ৰোগত আক্ৰান্ত বিশেষ ৰোগীৰ ক্ষেত্ৰত এই আঁচনিৰ নিয়ম অনুসৰি উন্নত চিকিৎসাৰ বাবে উচ্চস্তৰৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰিব পাৰি ।

**বিঃ দ্রঃ -ওপৰোক্ত উত্তৰ ইতিমধ্যে Portal ত আপলোড কৰা হৈছে।**